# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI

0000000000

**Date :** 11-07-2025
**Time :** 21-25 Hrs

## ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি দৰং জিলাৰ পুনিয়াত প্ৰস্তাৱিত চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ প্ৰকল্পৰ স্থান পৰিদৰ্শন কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ৮ ছেপ্তেম্বৰৰ অসম ভ্ৰমণৰ সময়ত এই প্ৰকল্পটোৰ আধাৰশিলা স্থাপন কৰাৰ সম্ভাৱনা আছে বুলি উল্লেখ কৰি তেওঁ কয়, যে প্ৰধানমন্ত্ৰীয়ে সেই দিনটোত দৰঙৰ পুনিয়াৰ পৰাই প্ৰায় ৮ হাজাৰ কোটি টকাৰ প্ৰকল্প নিৰ্মাণৰ কামৰ শুভাৰম্ভ কৰিব।

ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰীগৰাকীয়ে সোণাপুৰৰ বগীবাৰীত আগশাৰীৰ স্বেচ্ছাসেৱী সংস্থা কলং-কপিলীৰ সহযোগত দেশৰ প্ৰথমখন জল প্ৰযুক্তি উদ্যান বা একুৱাটেক পাৰ্ক মুকলি কৰে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ দি তেওঁ কয়, যে ৰাজ্যত ২০১৯ চনৰ পৰা ২০২৪ চনৰ ভিতৰত মাছৰ উৎপাদন দুগুণলৈ বৃদ্ধি পাই ৪ লাখ ৯৯ হাজাৰ মেট্ৰিক টন হৈছে আৰু ৰাজ্যখনৰ সম্প্ৰতি দেশৰ চতুৰ্থ সৰ্ববৃহৎ মৎস্য উৎপাদকাৰী হিচাপে পৰিগণিত হৈছে। আজি মুকলি কৰা উদ্যানখনৰ জৰিয়তে একুৱাপনিক্স, বায়'ফ্লক, মাছৰ আধুনিক খাদ্য উৎপাদন, আলংকাৰিক মাছৰ প্ৰজনন আদিৰ দৰে প্ৰযুক্তিসমূহৰ ব্যৱহাৰ প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হ'ব।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ভাৰ্চুৱেল ব্যৱস্থাৰে দেশৰ ৫১ হাজাৰৰো অধিক যুৱক-যুৱতীক নিযুক্তিপত্ৰ বিতৰণ কৰে। নিযুক্তি পত্ৰ বিতৰণ অনুষ্ঠানৰ অংশ হিচাপে অসমকে ধৰি দেশৰ ৪৭টা স্থানত আজি নিযুক্তি মেলাৰ আয়োজন কৰা হয়। গুৱাহাটী মহানগৰীৰ মালিগাঁৱৰ ৰং ভৱনত অনুষ্ঠিত ২৩৩ গৰাকী নৱ নিযুক্ত প্ৰাৰ্থীক নিযুক্তি পত্ৰ বিতৰণ অনুষ্ঠানত ভাগ লৈ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয়, যে বিগত এঘাৰ বছৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ভাৰত বিশ্বৰ ভিতৰত অন্যতম শক্তিশালী ৰাষ্ট্ৰ হিচাপে পৰিগণিত হৈছে।

০০০০

গোৱালপাৰা জিলাৰ কৃষ্ণাইৰ পাইকান সংৰক্ষিত বনাঞ্চলত আজি বন বিভাগ আৰু প্ৰশাসনে বিদ্যাপাৰা, আশুডুবি আৰু বেতবাৰীত অভিযান চলাই প্ৰায় এহেজাৰ বিঘা ভূমি দখলমুক্ত কৰে আৰু এহেজাৰ ৮০টা পৰিয়ালক উচ্ছেদ কৰে। ২০২৪ চনৰ নৱেম্বৰ-ডিচেম্বৰত পৰিয়ালকেইটাক সেই ঠাই খালী কৰাৰ কাৰণে জাননী জাৰি কৰা হৈছিল। জাননী পোৱাৰ পাছত ৮০ শতাংশ পৰিয়ালে নিজে নিজে সেই ঠাই ত্যাগ কৰিছিল যদিও বাকী পৰিয়ালসমূহক আজি উচ্ছেদ কৰা হয়। এ আই ইউ ডি এফ, ৰাইজৰ দল আৰু আম আদমী পাৰ্টীৰ একাংশ নেতা-কৰ্মীয়ে এই উচ্ছেদৰ বিৰোধিতা কৰি প্ৰতিবাদ সাব্যস্ত কৰে।

০০০০

অসম প্ৰকাশন পৰিষদৰ উদ্যোগত গুৱাহাটীৰ চানমাৰিৰ অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠানৰ খেলপথাৰত আয়োজিত গুৱাহাটী শিশু মহোৎসৱৰ আজি তৃতীয় দিনাও ডেৰ শতাধিক শিশু চেমনীয়াই কৰ্মশালাত অংশগ্ৰহণ

কৰে। আৰতি হাজৰিকাৰ যোগাসন প্ৰশিক্ষণেৰে শুভাৰম্ভ কৰা আজিৰ অনুষ্ঠানত বিশিষ্ট নাট্যকাৰ, নাট পৰিচালক ৰবিজিতা গগৈ, নাট্য শিল্পী, ৰাজীৱ কুমাৰ সাউদ আৰু সোনম দেৱীয়ে নাট কৰ্মশালাত প্ৰশিক্ষণ দিয়ে। বিশিষ্ট মুকাভিনয় শিল্পী মইনুল হকে মুকাভিনয় আৰু দেৱকান্ত হাজৰিকা আৰু দিগন্ত হাজৰিকাই সুকুমাৰ কলাৰ কৰ্মশালাৰ সমল ব্যক্তি হিচাপে অংশ লয়। যশস্বী নৃত্য পৰিচালক কমল নাথ আৰু প্ৰিয়ংকা কাশ্যপে নৃত্য তথা ৰাজ আহমেদ আৰু দীপক দাসে সংগীতৰ কৰ্মশালাত সমল ব্যক্তি হিচাপে প্ৰশিক্ষণ দিয়ে। বিয়লি অনিলাভা চেটাৰ্জী পৰিচালিত **মেছি** নামৰ শিশু চলচ্চিত্ৰখন প্ৰদৰ্শন কৰা হয়। এভাৰেষ্ট জয়ী প্ৰখ্যাত পৰ্বতাৰোহী তৰুণ শইকীয়াই চলচ্চিত্ৰ প্ৰদৰ্শনী মুকলি কৰে। বিশিষ্ট সংগীত শিল্পী, আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ প্ৰাক্তন বিষয়া অৰুনী ৰঞ্জন পাঠকে সাংস্কৃতিক কাৰ্যসূচী উদ্বোধন কৰে। মহোৎসৱৰ বাকৰিত কাইলৈ সঁফুৰা বৃত্তি প্ৰদান কৰা হ'ব। এই অনুষ্ঠানত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ উপৰি কেইবাগৰাকীও সাহিত্যিক আৰু সাংবাদিক উপস্থিত থকাৰ কথা।

০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গোলাঘাট জিলাত উদ্ভৱ হোৱা বান পৰিস্থিতিৰ বুজ ল'বলৈ কাইলৈ জিলাখনলৈ ৰাওনা হ'ব।

উল্লেখযোগ্য যে নাগালেণ্ডত হোৱা নেৰানেপেৰা বৰষুণৰ ফলত গোলাঘাট জিলাৰ ধনশিৰি নৈৰ জলপৃষ্ঠ বৃদ্ধি পোৱাত জিলাখনৰ ৫ টা ৰাজহ চক্ৰৰ বিস্তীৰ্ণ অঞ্চল প্ৰায় ৮ দিন ধৰি বানৰ কবলত আছে। জিলাখনৰ বিভিন্ন স্থানত মুঠ ৩৩ টা সাহায্য শিবিৰ মুকলি কৰি জিলা প্ৰশাসনে বানপীড়িত লোকসকললৈ সহায়ৰ হাত আগবঢ়াইছে।

০০০০

শিক্ষা ব্যৱস্থাত মানৱীয় মূল্যবোধৰ সংযোজনে শিক্ষাৰ্থীসকলক নৈতিক আৰু মানৱীয় শক্তিৰে শক্তিশালী কৰি তোলাৰ লগতে এখন সুস্থ সমাজ গঢ় দিয়ে। আকাশবাণী গুৱাহাটীৰ আজিৰ দৃষ্টিপাত অনুষ্ঠানত মূল্যবোধ আধাৰিত শিক্ষা ব্যৱস্থা সন্দৰ্ভত ছেবাৰ প্ৰাক্তন অধ্যক্ষ শান্তিকাম হাজৰিকা আৰু গুৱাহাটীৰ তাৰিণী চৰণ চৌধুৰী উচ্চতৰ মাধ্যমিক বহুমুখী বালিকা বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষা জ্যোৎস্না দেৱী ভাগৱতীয়ে এই বিষয়ে মত প্ৰকাশ কৰে। তেওঁলোকে কয় যে পৰিৱৰ্তিত পৰিস্থিতিৰ সৈতে সামঞ্জস্য ৰক্ষা কৰি শিক্ষা ব্যৱস্থাক মানুহ গঢ়াৰ কমাৰশাল হিচাপে গঢ় দিয়াটো শিক্ষকসকলৰ অন্যতম দায়িত্ব। তেওঁলোকে অভিভাৱকসকলকো শৈশৱৰ পৰাই তেওঁলোকৰ সন্তানক নৈতিক গুণেৰে শক্তিশালী কৰি তুলিবলৈ আহ্বান জনায়। অনুষ্ঠানটিৰ আঁত ধৰে আকাশবাণী গুৱাহাটীৰ বাতৰি পৰিবেশক অৰুণিমা গোস্বামীয়ে।

০০০০

ভাৰত আৰু ইংলেণ্ডৰ মাজৰ চলিত টেষ্ট শৃংখলাৰ লৰ্ডছত তৃতীয় টেষ্টৰ আজি তৃতীয় দিনা ভাৰতে প্ৰথম ইনিংছত বাতৰি যুগুতোৱাৰ পৰলৈ ৬ টা উইকেটৰ বিনিময়ত ৩৪২ ৰান সংগ্ৰহ কৰিছে।

ৰবিন্দ্ৰ জাদেজাই ৫৩ ৰান আৰু ৱাছিংটনে ৬ ৰান কৰি খেলি আছে। ৫ খনীয়া এণ্ডাৰ্ছন-টেণ্ডুলকাৰ শৃংখলাৰ তৃতীয়খন টেষ্টৰ প্ৰথম ইনিংছত ঘৰুৱা দল ইংলেণ্ডে ৩৮৭ ৰান সংগ্ৰহ কৰিছিল।

০০০০

ঃঃ সমাপ্ত ঃঃ